# 2017

## ASSAMESE

## ( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) বৈষ্ণৱ কবিসকলে পদ ৰচনাৰ ক্ষেত্ৰত কোনখন গ্ৰন্থক আধাৰ হিচাপে লৈছিল ?

(খ) 'কীৰ্ত্তিলতা' গ্ৰন্থখন কাৰ ৰচনা ?

(গ) অসমত 'বাৎসল্যৰস'ৰ কবি বুলিলে কোনগৰাকী কবিক বুজা যায় ?

(ঘ) কবি বিদ্যাপতিৰ জীৱন কোন ৰাজবংশৰ লগত অঙ্গাঙ্গীভাৱে জড়িত আছিল ?

(ঙ) কোনগৰাকী কবি উৰিষ্যাৰ ৰজা প্ৰতাপৰুদ্ৰৰ প্ৰধান কৰ্মচাৰী আছিল ?

(চ) 'উজ্জ্বল নীলমণি' গ্ৰন্থখনৰ প্ৰণেতা কোন ?

(ছ) কবি গোবিন্দ দাসে তেওঁৰ পদৰচনাৰ আৰ্হি স্বৰূপে কোনজন কবিক গ্ৰহণ কৰিছিল ?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) “খালি উদৰে হৰি হাত নিৰেশিয়ে
দেখত বোলত বাণী।”

উদ্ধৃত কবিতাংশ কোনটো কবিতাৰ অন্তৰ্গত? কবিতাটিৰ কবিগৰাকী কোন?

(খ) শঙ্কৰদেৱৰ ‘মাথুৰ বিৰহ’ শীৰ্ষক গীতটিৰ দুটা ৰাগৰ উল্লেখ কৰা।

(গ) ব্ৰজাৱলী ভাষাৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) “অনুখন মাধৱ মাধৱ সুমৰাইত সুন্দৰি ভেলি মধাঈ।”

কবিতাংশ কোনগৰাকী কবিৰ ৰচনা? ইয়াত ‘সুন্দৰি’ বুলি কাৰ কথা কোৱা হৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) “আজু মথুৰাপুৰি মিলব মহোৎসৱ
মাধৱ সাধব মান।
গোকুলক মঙ্গল দূৰ গয়ো নাহি
বাজত বেণু বিষাণ॥”

(খ) “ভোৰহি সহচৰী কাতৰ দিঠি হেৰি ছলছল লোচন পানি
অনুখন ৰাধা ৰাধা ৰটইত আধা আধা বাণী॥”

(গ) “জব নিশি বাহিৰে পয়ান।
শীকৰে নিকলে পৰাণ॥
দিনকৰ দিবস উপেখি।
অলিকুল কমলে না পেখি॥”

(ঘ) ‘‘ভালহি সিন্দুৰ ভানু-কিৰণ জনু
তহি চাৰু-চন্দন-বিন্দু।
মুখ হেৰি লাজসে সায়ৰে লুকায়ল
দিনে দিনে খীন ভেল ইন্দু॥’’

(ঙ) ‘‘সো বহু বল্লভ জগজন দুৰ্ল্লভ
তেজলি নিজ মনসাধে।’’

৪। উত্তৰ লিখা :

(ক) ব্ৰজবুলি ভাষা সম্পৰ্কে তোমাৰ ধাৰণা অৱগত কৰি এই ভাষাৰ বিকাশ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ২+৮=১০

*অথবা*

গোবিন্দদাস কোন ঠাইৰ কবি? তেওঁৰ কাব্য-প্ৰতিভা সম্পৰ্কে চমুকৈ আলোচনা কৰা। ২+৮=১০

(খ) ‘ব্ৰজবুলি গীতিগুচ্ছ’ৰ অন্তৰ্গত ‘মাথুৰ বিৰহ’ শীৰ্ষক গীতসমূহত বিৰহৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, উপযুক্ত উদাহৰণেৰে সৈতে আলোচনা কৰা। ১০

*অথবা*

‘‘মাতৃ হৃদয়ৰ চিৰন্তনতা প্ৰকাশেই হৈছে মাধৱদেৱৰ ‘চিৰন্তন মাতৃ’ কবিতাৰ অন্তৰ্নিহিত বিষয়।’’ উপযুক্ত উদ্ধৃতিসহ উল্লিখিত বক্তব্য-বিষয় স্পষ্ট কৰা।

(গ) বিৰহ-বিষয়ক গীতসমূহত বৰ্ষা ঋতুৰ প্ৰাধান্যই কাব্যিক সৌন্দৰ্য সৃষ্টিত কিদৰে অৰিহণা যোগাইছে, বিদ্যাপতিৰ 'বৰ্ষাত বিৰহ' আৰু গোবিন্দদাসৰ 'বৰ্ষাভিসাৰ' গীত দুটিৰ আধাৰত আলোচনা কৰা। ১০

*অথবা*

অসমৰ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ গীতৰ বৈশিষ্ট্যৰ সৈতে ভাৰতবৰ্ষৰ অইন প্ৰদেশৰ কবিসকলৰ গীতৰ বৈশিষ্ট্যৰ সাদৃশ্য-বৈসাদৃশ্য উল্লেখ কৰি এটি চমু আলোচনা যুগুত কৰা।

★★★